**সৌৰাষ্ট্ৰ বিপ্ৰ সভা**

**বনাম**

**নামক্কাল পৌৰসভা আৰু অন্য এজন।**

নৱেম্বৰ 4, 1996

[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ জি.বি. পট্টনায়ক ]

তামিলনাডু জিলা পৌৰসভা আইন, 1920

*S.339(2)-পাৰদী ভূমি - বাদীৰ স্বত্ব মোকৰ্দমা সকলো নিম্ন আদালতে খাৰিজ কৰাৰ পিছতো, সম্পত্তিটো এটা estate হোৱাৰ বাবে, বাদী দ্বাৰা স্বত্ব ঘোষণা আৰু চিৰস্থায়ী নিষেধাজ্ঞাৰ বাবে মোকৰ্দমা - দৃশ্যমান স্থানত সংলগ্ন কৰি বাদীক জাননী দিয়া হৈছিল আৰু ভূমিৰ দখল লোৱা হৈছিল - আদালতে মত পোষণ কৰে যে ভূমিৰ মালিকীস্বত্ব এতিয়া ৰাষ্ট্ৰৰ যিহেতু বাদীক আইনগতভাৱে ভূমিৰ পৰা আঁতৰাই পেলোৱা হৈছিল - আদালতে সিদ্ধান্ত লয় যে এই বিষয়ত হস্তক্ষেপ কৰাৰ কোনো ভিত্তি নাই।*

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ : দেৱানী আপীল নং 14779 / 1996 ।

1983 চনৰ S.A. নং 2235 সম্পৰ্কত মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ 01-09-1995 তাৰিখৰ ৰায় আৰু আদেশৰ পৰা ।

বাদী/ আপীলকাৰীৰ হৈ এছ. শিৱসুব্ৰমনিয়াম, আৰ. নেদুমাৰণ আৰু ভি.জি. প্ৰগাছাম।

প্ৰতিবাদীৰ হৈ আৰ. মোহন আৰু টি. ৰাজা।

আদালতৰ দ্বাৰা নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছিল:

অনুমতি প্ৰদান কৰা হৈছিল।

আমি আপীলকাৰীৰ হৈ প্ৰদান কৰা বিদ্বান অধিবক্তাৰ বক্তব্য শুনিলোঁ।

S.A. নং 2235/83 সম্পৰ্কত মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ বিজ্ঞ একক ন্যায়াধীশে 1996 চনৰ 1 ছেপ্টেম্বৰত প্ৰদান কৰা আদেশৰ পৰা এই বিশেষ অনুমতি আপীল উদ্ভৱ হয়।

আপীলকাৰীয়ে স্বত্ব ঘোষণা আৰু চিৰস্থায়ী নিষেধাজ্ঞাৰ বাবে মোকৰ্দমা দাখিল কৰিছিল। আপীলকাৰীয়ে যুক্তি দৰ্শাইছিল যে যিহেতু সম্পত্তিটো এটা estate, তেওঁলোকে সম্পত্তিৰ মালিকীস্বত্ব প্ৰতিষ্ঠা কৰিবলৈ দৰকাৰী সকলো প্ৰয়োজনীয়তা সম্পূৰ্ণ কৰিছে বা পূৰণ কৰিছে। প্ৰতিবাদীয়ে যুক্তি আগবঢ়াইছিল যে প্ৰশ্ন উত্থাপিত ভূমি খিনি পাৰদী ভূমি, আৰু estate ব্যৱস্থা বিলুপ্ত হোৱাৰ পিছত ইয়াৰ ওপৰত কোনো ধৰণৰ বিদ্যমান দাবী বা দায়বদ্ধতা নোহোৱাকৈয়ে ই ৰাষ্ট্ৰৰ সম্পত্তিত পৰিণত হয়। সকলো নিম্ন আদালতে সমান্তৰালভাৱে লক্ষ্য কৰিছে যে আপীলকাৰীৰ সম্পত্তিৰ ওপৰত কোনো স্বত্ব নাই যদিও সম্পত্তি তেওঁৰ দখলত আছিল। সেই অনুসৰি, তেওঁক আইন অনুসৰি বহিষ্কাৰ কৰাৰ নিৰ্দেশনা দিয়া হৈছিল। উচ্চ ন্যায়ালয়ে ৰায় প্ৰদান কৰাৰ পিছত, 1995 চনৰ 1 ছেপ্টেম্বৰত আপীলকাৰীক জাননী দিয়া হৈছিল আৰু তেওঁলোকে জাননীখন প্ৰাপ্ত কৰিবলৈ অস্বীকাৰ কৰিছিল। ফলস্বৰূপে, 02.09.1995 তাৰিখে, দৃশ্যমান স্থানত সংলগ্ন কৰি আপীলকাৰীক জাননী দিয়া হৈছিল আৰু 09.09.1995 তাৰিখে তামিলনাডু পৌৰ আইনৰ ধাৰা 339(2)ৰ অধীনত মাটিৰ দখল লোৱা হৈছিল । এইদৰে আইন অনুসৰি আপীলকাৰীক বহিষ্কাৰ কৰাৰ পিছত মাটিখিনি ৰাষ্ট্ৰৰ সম্পত্তি হৈ থাকিল। এইটো কোৱা হৈছে যে প্ৰশ্ন উত্থাপিত ভূমি খিনি এইটো স্থানত থকা ৰাজহুৱা বাছ আস্থানৰ অংশ, আৰু ইয়াৰ মাজেৰে ৰাজহুৱা যাত্ৰীবাহী বাছসমূহ প্ৰৱেশ কৰে। বাছ ষ্টেণ্ডৰ অংশ হোৱা অংশটো ৰঙা ৰঙেৰে চিহ্নিত কৰি এটা পৰিকল্পনা দাখিল কৰা হৈছিল। এই পৰিস্থিতিত আমি নাভাবো যে ই হস্তক্ষেপৰ প্ৰয়োজনীয়তা থকা গোচৰ।

সেয়েহে প্ৰাৰ্থনা খাৰিজ কৰা হ'ল। ব্যয়ৰ ক্ষেত্ৰত কোনো আদেশ নাই।

আৰ. পি প্ৰাৰ্থনা খাৰিজ কৰা হ'ল।

অনুবাদকঃ পাৰ্থ প্ৰতীম গোস্বামী

মুখ্য অনুবাদক ,অনুবাদ শাখা ,

গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বিবেচিত হব।“